লৌহিত্য সাহিত্য সেতু: সহযোগী বিদ্বানৰ দ্বাৰা পুনৰীক্ষিত দ্বিভাষিক ই-আলোচনী
বৰ্ষ: ৩; সংখ্যা: ৪; জানুৱাৰী-জুন, ২০২২

# ড° মালিনীৰ উপন্যাস “ৰাজনন্দিনী উত্তৰা”: এক সমালোচনা

✍ পৰীণিতা দেৱী

অসমীয়া উপন্যাস সাহিত্যৰ ইতিহাসলৈ লক্ষ্য কৰিলে দেখা যায় যে আধুনিক যুগত ৰামায়ণ, মহাভাৰতৰ কাহিনীকলৈ এক শ্ৰেণীৰ ৰসোত্তীৰ্ণ উপন্যাস ৰচিত হৈছে। ৰামায়ণ, মহাভাৰতৰ কাহিনী, চৰিত্ৰ অথবা বিষয়বস্তুৰে ৰচিত এই শ্ৰেণীৰ ৰসোত্তীৰ্ণ উপন্যাস মহাকাব্য আধাৰিত উপন্যাস বুলিব পাৰি। এই শ্ৰেণীৰ উপন্যাসৰ বিষয়বস্তু পুৰণি হ’লেও লিখকে তাত নতুন দৃষ্টিভংগী সংযোগ কৰাৰ থল থাকে। এনে লেখকসকলৰ ভিতৰত ড° মালিনী উল্লেখযোগ্য।

অসমীয়া সাহিত্য-জগতৰ এটি পৰিচিত নাম ড° মালিনী। তেওঁৰ প্ৰকৃত নাম ড° নীলিমা শইকীয়া। ড° মালিনী উত্তৰ-পূৱ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ এগৰাকী অৱসৰপ্ৰাপ্ত বিজ্ঞানী। তেওঁ নিৰলসভাৱে দুই দশকতকৈও অধিককাল ৰামায়ণী সাহিত্য চৰ্চাত ব্ৰতী হৈ থকাৰ সমান্তৰালকৈ মহাভাৰত অধ্যয়নৰ লগতো জড়িত থকা পৰিলক্ষিত হৈছে। লেখিকা গৰাকীয়ে মহাকাব্য দুখনৰ কেইবাটাও নাৰী চৰিত্ৰক লৈ উপন্যাস সৃষ্টি কৰি পাঠক সমাজৰ দ্বাৰা প্ৰশংসিত হৈছে। মহাকাব্যৰ নাৰী চৰিত্ৰৰে সৃষ্টি কৰা তেখেতৰ উল্লেখযোগ্য উপন্যাস কেইখন হ’ল- ‘যাজ্ঞসেনী’, ‘বিদেহ নন্দিনী’, ‘কাশী কন্যা অম্বা’, ‘মন্দোদৰী’, ‘ঋষিকন্যা’, ‘দেৱযানী’, ‘উৰ্ব্বশী’, ‘শকুন্তলা’ আৰু ‘ৰাজনন্দিনী উত্তৰা’। ড° মালিনীক অসম সাহিত্য সভাই 2012 চনত ‘মন্দোদৰী’ উপন্যাসৰ বাবে ‘কুমাৰ কিশোৰ সাহিত্য বঁটা’ আৰু 2013 চনত ভাৰতীয় সাহিত্যলৈ আগবঢ়োৱা অৱদানৰ বাবে বিক্ৰমশীলা বিদ্যাপীঠ ‘ব্যাসপতি বঁটা’ আগবঢ়ায়। তেওঁৰ চাৰিখন উপন্যাস ক্ৰমে ‘যাজ্ঞাসেনী’, ‘বিদেহ নন্দিনী’, ‘কাশী কন্যা অম্বা’ আৰু ‘মন্দোদৰী’ ইংৰাজী ভাষালৈ অনুবাদ হৈছে।

ড° মালিনীৰ ‘ৰাজনন্দিনী উত্তৰা’ উপন্যাসখন অসমীয়া উপন্যাস সাহিত্যত এক অভিনৱ সংযোজন। মৎস্য ৰাজ্যৰ ৰজা বিৰাটৰ ৰাজকন্যা উত্তৰাৰ চৰিত্ৰৰ আধাৰত উপন্যাসখন ৰচনা কৰা হৈছে। উপন্যাসখনৰ মাজেৰে

ঔপন্যাসিকাই উত্তৰাৰ মানসিক অৱস্থা, পদে পদে সন্মুখীন হোৱা লাঞ্ছনা তথা মনস্তাত্বিক বিশ্লেষণ ব্যাখ্যা কৰিবলৈ প্ৰয়াস কৰিছে।

ঔপন্যাসিকাই উত্তৰাৰ চৰিত্ৰৰ সমান্তৰালকৈ মহাভাৰতৰ বিৰাট পৰ্বৰ কাহিনীৰ এটি থুলমুল আভাসো উপন্যাসখনৰ মাজেৰে দাঙি ধৰিছে। উপন্যাসখনৰ কাহিনীভাগ আৰম্ভ হৈছে এনেদৰে-

প্ৰসৱ বেদনাৰ অন্তত উত্তৰাই এটি মৃত পুত্ৰ সন্তান জন্ম দিয়ে। সেই মূহুৰ্ততে ৰাজ-প্ৰসাদত মংগল ধ্বনি বাজি উঠে। উত্তৰাৰ দুয়োগৰাকী শাহুৰ যত্নত সন্তানটি আৰু উত্তৰা ক্ৰমে সুস্থ হৈ উঠে আৰু তেতিয়াই কাহিনীয়ে ফ্লেছবেককৈ গতি কৰে। উত্তৰাই এবাৰ নিজৰ জীৱনৰ আগৰছোৱা সময় জুকিয়াই চায়।

মৎস্য ৰাজ্যৰ ৰজা বিৰাটৰ ৰাজকন্যা উত্তৰাক নৃত্য শিকাবলৈ আগমণ ঘটে বৃহন্নলা নামৰ এগৰাকী ক্লীৱৰ। প্ৰায় এবছৰ নহওঁতেই গুৰুমাতা বৃহন্নলাই উত্তৰাক নৃত্য গীতত নিপুণ কৰি তোলে। ইয়াৰ সমান্তৰালভাৱে উত্তৰাৰ মাতৃ অৰ্থাৎ ৰাণী সুদেষ্ণাৰ আলধৰা সৈৰিন্ধ্ৰীৰো একে সময়তে আগমন ঘটে। ৰূপে-গুণে সৈৰেন্দ্ৰী ৰাজকাৰেঙৰ সকলো নাৰীকে চেৰ পেলাব পৰা বিধৰ আছিল। যাৰ পৰিণতিত ৰাজ প্ৰসাদত কিছুমান অশুভ ঘটনাও ঘটিছিল। তাৰ ভিতৰত কীচক বধ অন্যতম। কীচক আছিল ৰজা বিৰাটৰ প্ৰতিৰক্ষা বিভাগৰ সেনাপতি, লগতে ৰাণী সুদেষ্ণাৰ ভায়েক। কীচকে সৈৰিন্দ্ৰীৰ প্ৰেমত বিভোৰ হৈ নানা প্ৰকাৰে ধন-সোণৰ প্ৰলোভন দিও সৈৰেন্দ্ৰীৰ মন নোপোৱাত ভনীয়েক সুদেষ্ণাক খাটনি ধৰে। ভনীয়েকেও ককায়েকৰ কথামতে সৈৰেন্দ্ৰীক কীচকৰ কাৰেঙলৈ সুৰা অনাৰ অজুহাত দি পঠিয়াই আৰু কীচকে সুযোগ বুজি সৈৰেন্দ্ৰীৰ ওচৰ চাপিব বিচাৰোতেই সৈৰিন্দীয়ে উচাৎ মাৰি ৰাজ-সভা আহি ওলায় আৰু ৰজা বিৰাটৰ ওচৰত ন্যায় বিচাৰি এনেদৰে কয়- “ৰাজন, আপুনি জানেনে যে মই সেইসকল গন্ধৰ্বৰ ভাৰ্যা, যিসকল হাজাৰ ক্ৰোশ আঁতৰত থাকিলেও শত্ৰুৰে ভয়ত চকুৰ টিপ মাৰিব নোৱাৰে।” (ৰাজনন্দিনী উত্তৰা, পৃষ্ঠা 24) কিন্তু ৰজা বিৰাট নিশ্চুপ হৈ থকা দেখি সৈৰেন্দ্ৰীয়ে আকৌ থোকা-থুকি মাতেৰে ক’বলৈ ধৰিলে- “আপোনালোক সকলোৱে শুনক, ৰজা বিৰাট নিজেই ধৰ্মজ্ঞ নহয়, সেয়ে তেওঁৰ সেনাপতি ধৰ্মজ্ঞ হ’ব ক’ৰ পৰা? অধৰ্মত মজি বিৰাট ৰজাক অন্ধৰ দৰে অনুকৰণ কৰা সকলে ধৰ্মৰ পথৰ পৰা পিছলি পৰিছে।” (ৰাজনন্দিনী উত্তৰা, পৃষ্ঠা 24), ইয়াৰ পিছত ৰজা বিৰাটে উপযুক্ত সময়ত বিচাৰ কৰাৰ আশ্বাস দি সৈৰেন্দ্ৰীক অন্তেষপুৰলৈ যাবলৈ কয়। তাৰ পিছতে সৈৰেন্দ্ৰীয়ে দ্বিতীয় স্বামীক গোপনে বাৰ্তাটো দিয়ে আৰু সেনাপতি কীচকক নৃত্যশালালৈ চলনাৰে

মাতি আনি তাতেই সৈৰেন্ধ্ৰীৰ দ্বিতীয় স্বামীয়ে কীচকক বধ কৰে। ৰাজ্যৰ প্ৰতিৰক্ষাৰ মুৰব্বী আৰু সুদেষ্ণাৰ একান্ত আত্মীয় কীচকৰ মৃত্যুত সমগ্ৰ মৎস্য ৰাজ্যক অন্ধকাৰে আৱৰি ধৰে। এই ঘটনাক কেন্দ্ৰ কৰি ৰাজ্যৰ মন্ত্ৰী আৰু ডা-ডাঙৰীয়া সকলে সৈৰেন্ধ্ৰীক বিদায় দিয়া উচিত বুলি মতপোষণ কৰিলে। ৰজাইয়ো সহমত দিলে আৰু ৰাণী সুদেষ্ণাক সৈৰেন্ধ্ৰীক স-সন্মানে বিদায় দিবলৈ ক'লে। ৰাণীয়ে সৈৰেন্ধ্ৰীক বুজাই বঢ়াই তেওঁলোকৰ ইচ্ছা অৱগত কৰালে আৰু তেতিয়া সৈৰেন্ধ্ৰীয়ে তেৰদিন সময় বিচাৰিলে। এইখিনি সময়তে ৰজা বিৰাটে ৰাজকন্যা উত্তৰাৰ স্বয়ম্বৰ অনুষ্ঠিত কৰাৰ চিন্তা চৰ্চা কৰি আছিল, কিন্তু হঠাৎ খবৰ আহে ত্ৰিৰ্গত দেশৰ ৰজা সুশৰ্মাই দক্ষিণ দিশত উপদ্ৰৱ আৰম্ভ কৰিছে। ৰজা বিৰাটে সৈন্য বাহিনী সহিতে যুদ্ধ ঘোষণা কৰে; সুশৰ্মা আৰু ৰজা বিৰাটৰ মাজত যুদ্ধ হয়। যুদ্ধত সুশৰ্মাই বিৰাটক বন্দী কৰে যদিও কংক, বল্লভ, তন্ত্ৰ আৰু গ্ৰন্থিয়ে তেওঁক মোকলাই আনে লগতে সুশৰ্মাক বিৰাট ৰজাৰ দাস কৰে। ৰজা বিৰাটে তেওঁলোকক কৃতজ্ঞতা জনাই কি লাগে সোধোতে কংকই এনেদৰে কয়- "আমাক একো দিব নালাগে, আপোনাৰ সুবচনেই আমাক আপ্যায়িত কৰিছে। সেয়ে আমাৰ বাবে বহুত। আপুনি এতিয়া ৰাজ্যলৈ জয়ৰ বাৰ্তা পঠাওক।" (ৰাজনন্দিনী উত্তৰা, পৃষ্ঠা 42), ইয়াৰ পিছতে খবৰ আহে ৰাজ্যৰ উত্তৰ সীমাত কৌৰৱ সেনাই লুট-পাট কৰিছে আৰু কৌৰৱৰ কৱলৰ পৰা মৎস্য ৰাজ্য উদ্ধাৰ কৰা দায়িত্ব পৰে ৰাজকুমাৰ উত্তৰৰ হাতত। উত্তৰৰ ৰথৰ সাৰথি হয় নৃত্য গুৰু বৃহনল্লা। যুদ্ধস্থলীত উপস্থিত হৈ ৰাজকুমাৰে দুৰ্যোধন, ভীষ্ম, কৰ্ণ, দ্ৰোণ আদি মহাৰথী সকলক দেখি পলাব লওতেই বৃহনল্লাই যুদ্ধ কৰিবলৈ আগবাঢ়ি আহে আৰু স্ব-পৰিচয়েৰে আত্ম প্ৰকাশ কৰি তেওঁৰেই যে অৰ্জুন সেই কথা ব্যক্ত কৰে। পৰম বিক্ৰমেৰে যুদ্ধ সমাপন কৰি কৌৰৱ বাহিনীক পৰাস্ত কৰি অৰ্জুনে পশুধন উদ্ধাৰ কৰে আৰু দুয়ো মৎস্য ৰাজ্যলৈ উভতি আহে। উত্তৰ আৰু অৰ্জুন ৰূপী বৃহনল্লাই গো-ধন উদ্ধাৰ কৰি অহাৰ তৃতীয় দিনা বৃহনল্লা সহিতে কংক, বল্লভ, তন্ত্ৰ আৰু গ্ৰন্থি লগতে সৈৰেন্ধ্ৰী আত্ম প্ৰকাশ কৰে। ৰাজকুমাৰ উত্তৰে পিতৃ বিৰাটৰ আগত তেওঁলোকৰ পৰিচয় প্ৰদান কৰে। ক্ৰমে কংক ৰূপী যুধিষ্ঠিৰ, বল্লভ ৰূপী ভীম, বৃহনল্লা ৰূপী অৰ্জুন, তন্ত্ৰ ৰূপী নকুল, গ্ৰন্থি ৰূপী সহদেৱ আৰু সুদেষ্ণাৰ আলধৰা সৈৰেন্ধ্ৰী ৰূপী দ্ৰৌপদীৰ পৰিচয় সকলোৰে আগত ব্যক্ত কৰে। ৰজা বিৰাটে সকলোৰে পৰিচয় পাই আচৰিত হয় আৰু নিজ কন্যা উত্তৰাক অৰ্জুনলৈ দিব বিচাৰে, কিন্তু অৰ্জুনে অপযশ ভয়ত উত্তৰাক পুত্ৰবধু হিচাপেহে গ্ৰহণ কৰাৰ প্ৰস্তাৱ আগবঢ়ায়। অৰ্জুনৰ

প্ৰস্তাৱত সকলোৱে সমৰ্থন জনায় আৰু আনন্দিত হৈ হৰ্ষধ্বনি কৰে।

একেদিনাই উত্তৰাৰ বিয়াৰ খবৰ সৰ্বত্ৰে বিয়পি পৰিল। কোনোৱে মন্তব্য দিলে- "বিৰাট কন্যা উত্তৰাৰ কম কপাল নহয়, মহাবীৰ অৰ্জুন পুত্ৰ স্বয়ং শ্ৰীকৃষ্ণৰ ভাগিনীয়েক মহাবীৰ অভিমন্যুক স্বামী হিচাপে পাব।" (ৰাজনন্দিনী উত্তৰা, পৃষ্ঠ 70) যথা সময়ত বৈদিক প্ৰথাৰে উত্তৰা আৰু অভিমন্যুৰ বিয়া সম্পন্ন হয়।

ইয়াৰ পিছতেই আৰম্ভ হল কুৰুক্ষেত্ৰৰ যুদ্ধ। এই যুদ্ধক ধৰ্মযুদ্ধ বুলি কোৱা হয়। ধৰ্মই হৈছে সত্য আৰু সত্যই হৈছে ন্যায়। ন্যায় প্ৰতিষ্ঠা কৰিবলৈ হোৱা ধৰ্মযুদ্ধ অভিমন্যুক কৌৰৱসকলে বৰ অন্যায়ভাৱে বধ কৰিলে।

অতি কম বয়সতে উত্তৰাৰ বৈবাহিক জীৱনৰ অৱসান ঘটিল। জীৱনৰ প্ৰতি উত্তৰাৰ মায়া মোহ নোহোৱা হৈছিল যদিও দুই গৰাকী শাহুৱে উত্তৰাক জীয়াই থকাৰ প্ৰেৰণা যোগাইছিল। "সকলোৰে মনত মাত্ৰ এটাই আশা- পাণ্ডৱৰ বংশধৰ উত্তৰাৰ গৰ্ভত আছে।"(ৰাজনন্দিনী উত্তৰা, পৃষ্ঠা ন ৮০)

হস্তিনাপুৰত আয়োজিত অশ্বমেধ য সমাপন হৈ যোৱাৰ প্ৰায় পোন্ধৰ বছৰ পাছত ধৃতৰাষ্ট্ৰ, গান্ধাৰী, কুন্তী, বিদুৰ, সঞ্জয় আটায়ে বনলৈ গমনে কৰে, শেষ নিশ্বাস ত্যাগ কৰি জীৱনৰ পৰা মুক্তি লাভ কৰিবলৈ।

ইতিমধ্যে উত্তৰাৰ পুত্ৰ পৰীক্ষিতক ককাক সকলে অস্ত্ৰ শস্ত্ৰৰ জ্ঞানৰ উপৰিও সকলো বিদ্যাতে পাৰ্গত কৰি তুলিছিল। এনে সময়তে যাদৱ বংশ ব্ৰহ্মশাপত নিজৰ মাজত দ্বন্দ্ব-খৰিয়ালত নিপাত যায়। শ্ৰীকৃষ্ণ বাসুদেৱো স্বৰ্গগামী হয় আৰু পঞ্চপাণ্ডৱেও দ্ৰৌপদীৰ সৈতে বনলৈ গমন কৰে। এই যাত্ৰাৰ আগতে মহাৰাজ যুধিষ্ঠিৰে নীতি পৰীক্ষিতৰ ৰাজ অভিষেকৰ কাম সম্পূৰ্ণ কৰি ৰাজকাৰ্য চলোৱাত যাতে একো অসুবিধা নহয় তাৰ সকলো দিহা কৰে। পাণ্ডৱ সকলৰ বনলৈ প্ৰস্থানৰ হৃদয় বিদাৰক দৃশ্যৰেই 'ৰাজনন্দিনী উত্তৰা' উপন্যাসখনৰ সামৰণি পৰিছে।

উপন্যাসখন আৰম্ভণিৰ পৰা বিশ্লেষণ কৰিলে দেখা যায় যে কাহিনী প্ৰথম পুৰুষত বৰ্ণিত হৈছে যদিও মেদবিহীন কাহিনীকথনে পাঠকক আচ্ছন্ন কৰি ৰাখিবলৈ সক্ষম হৈছে। মহাভাৰতৰ বিৰাট পৰ্বৰ এটি পাৰ্শ্ব নাৰী চৰিত্ৰ উত্তৰাই সমগ্ৰ উপন্যাসখনৰ কেন্দ্ৰীয় চৰিত্ৰ। চৰিত্ৰাংকণৰ ক্ষেত্ৰত মহাভাৰতৰ সৰু-বৰ প্ৰায়বোৰ চৰিত্ৰই উপন্যাসখনত ভুমুকি মাৰিছে যদিও কাহিনী বিন্যাস উত্তৰাৰ চৰিত্ৰটোক কেন্দ্ৰ কৰিয়েই হৈছে। কুৰুক্ষেত্ৰৰ যুদ্ধত অৰ্জুন-সুভদ্ৰাৰ পুত্ৰ অভিমন্যুক কৌৰৱৰ সপ্তৰথীয়ে আৰু দ্ৰৌপদীৰ পঞ্চ পুত্ৰক অশ্বত্থামাই বধ কৰাত বংশ ৰক্ষা কৰিবলৈ কোনোৱেই নাথাকিল।

সৌভাগ্যবশত: অভিমন্যুৰ পত্নী উত্তৰাৰ গৰ্ভত আছিল অভিমন্যুৰ সন্তান। পিছে পাপাত্মা অশ্বত্থামাই “পাণ্ডৱৰ কোনোবা নাৰীৰ গৰ্ভত সন্তান আছে যদি সিও বধ হওক” বুলি ব্ৰহ্মাস্ত্ৰ প্ৰয়োগ কৰিলে। অভিমন্যুক হেৰুৱাই নিশকতীয়া হৈ পৰা উত্তৰাৰ গৰ্ভস্থ সন্তানৰ উপৰত পৰা ব্ৰহ্মাস্ত্ৰৰ প্ৰভাৱ নিষ্ক্ৰিয় কৰি থৰ লগা সন্তানটিৰ দেহত কৃষ্ণই কেনেধৰণে প্ৰাণ সঞ্চাৰ কৰিলে সেই কথা উপন্যাসখনত বৰ্ণনা কৰা হৈছে।

উত্তৰা যদিওবা ৰাজকন্যা আছিল তথাপি ঔপন্যাসিকাই উত্তৰা চৰিত্ৰটোক উপন্যাসখনত সাধাৰণীকৰণ কৰিহে উপস্থাপন কৰিছে। সমগ্ৰ উপন্যাসখনতেই উত্তৰাৰ মানসিক দ্বন্দ্ব প্ৰতিফলিত হৈছে। পাণ্ডৱ বংশৰ বোৱাৰী আৰু সেই বংশ ৰক্ষাৰ দায়িত্ব গৰ্ভত ধাৰণ কৰিও যেন উত্তৰা সুখী নাছিল। কৰ্তব্যৰ খাতিৰত উত্তৰাই কেৱল দায়িত্ব পালন কৰিলে কিন্তু মানসিক ভাৱে উত্তৰা অসুখী হৈয়ে থাকিল। অস্থিৰতা উত্তৰা চৰিত্ৰটোৰ সমগ্ৰতেই প্ৰতিফলিত হৈছে। পৰীক্ষিতৰ জন্মৰ পিছতো নানান চিন্তাই উত্তৰাক জুৰুলা কৰি পেলাইছিল। বেছিভাগ সময় উত্তৰাই চিন্তা কৰিয়ে পাৰ কৰিছিল। লাগ বান্ধ নোহোৱা পুৰণি কথাবোৰ উত্তৰাৰ মনলৈ আহি আছিল। হস্তীনাপুৰত থকা সময়খিনিত উত্তৰাই মনোকষ্টতেই পাৰ কৰিছিল। অতি কম সময়তেই স্বামীহাৰা হৈ উত্তৰাই মনৰ কথা খুলি ক’বলৈও যেন কাকো কাষত পোৱা নাছিল। ধন-সোণ, ঐশ্বৰ্য্য বিভূতিৰে বিভূষিত হৈয়ো মানসিক ভাৱে উত্তৰাই একাকীত্বত ভুগিছিল।

উপন্যাসখনত উত্তৰা চৰিত্ৰটো চাৰিটা দিশৰ পৰা বৰ্ণিত হৈছে। প্ৰথম অৱস্থাত মস্য ৰাজ বিৰাটৰ ৰাজকুমাৰী উত্তৰা, যি আছিল বৃহন্নলাৰ নৃত্যশিল্পৰ ছাত্ৰী। ৰাজকুমাৰী হৈ থকা কালছোৱা উত্তৰাই নৃত্যতেই ব্যস্ত হৈ আছিল। তাৰ পিছত উত্তৰা চৰিত্ৰ বৰ্ণিত হৈছে অভিমন্যুৰ পত্নীৰ ৰূপত। উত্তৰাৰ দেহৰ পৰা মাহ-হালধিৰ গোন্ধ নৌ-যাওঁতেই উত্তৰাৰ সেই পৰিচয়ৰ কৰুণ যৱনিকা ঘটে। তাৰ পিছত উত্তৰাই পাণ্ডৱ বংশৰ বোৱাৰীৰ ধ্বজা বহন কৰিবলগীয়া হয় আৰু গোটেই জীৱন মাতৃত্বৰ পৰিচয়েৰে পৰীক্ষিতৰ মাক হৈ হস্তীনাপুৰত জীৱন যাপন কৰে। উত্তৰা চৰিত্ৰটোত ঔপন্যাসিকাই মমতা, দৰদ, সহানুভূতি সকলোবোৰ সজীৱ কৰি তুলিলেও উত্তৰাই যেন পৰিপূৰ্ণতা নাপালে। সকলোখিনি পাইয়ো উত্তৰাই কোনোবাখিনিত শূন্যতা বহন কৰি আছিল আৰু সেই শূন্যতাই চিৰদিন উত্তৰাক পাণ্ডৱ পৰিয়ালৰ অজ্ঞাত সদস্য কৰিয়েই ৰাখিলে।

যদিওবা ঔপন্যাসিকে নাৰী চৰিত্ৰৰ আধাৰতেই উপন্যাসখন ৰচনা কৰিছে তথাপিও তেওঁৰ সাহিত্যত উত্তৰাক পৰনিৰ্ভৰশীল আৰু পৰম্পৰাগত দুৰ্বল নাৰীৰ ৰূপতেই অংকন

কৰিছে। তেওঁ উত্তৰা চৰিত্ৰক আধুনিক, স্বাধীন ৰূপত ব্যক্ত হ'ব দিয়া নাই।

কাহিনী বিন্যাসৰ দিশৰ পৰা উপন্যাসখন দুৰ্বল যেন লাগে। উপন্যাসখনত মূল কাহিনীৰ লগত বিভিন্ন উপকাহিনী সংযোজিত হৈছে। মূল কাহিনী আছিল উত্তৰাৰ জীৱন গাঁথা, তাৰ লগত সংযোজিত কৰি মৎস্য ৰাজ্যৰ প্ৰতিৰক্ষা বিভাগৰ সেনাপতি অৰ্থাৎ উত্তৰাৰ মোমায়েক কীচক বধৰ কাহিনী, কুৰুক্ষেত্ৰৰ যুদ্ধ, যাদৱ বংশৰ বৰ্ণনা আদি কেইবাটাও উপকাহিনী সংযোজিত কৰিছে। ঔপন্যাসিকাই চৰিত্ৰাংকণত জোৰ দিছে যদিও কাহিনীৰ বিন্যাসত কলাত্মক শৃংখলাবদ্ধতা অটুত ৰাখিব পৰা নাই। কাহিনীবিন্যাসৰ প্ৰতি ঔপন্যাসিকা সচেতন হোৱাহেঁতেন উপন্যাসখন কলাত্মক দিশত সফল হ'লহেঁতেন।

পৰিৱেশ সৃষ্টিত ঔপন্যাসিকা সফল হৈছে বুলিব পাৰি। চৰিত্ৰসমূহৰ মানসিক অৱস্থা আৰু সামজিক অৱস্থাৰ লগত সংগতি ৰাখি চৌদিশৰ পৰিৱেশ অংকনত ঔপন্যাসিকাই গুৰুত্ব দিছে। কিন্তু মাজে-মাজে পৰিৱেশৰ বৰ্ণনা দিওতে কাৰ্পন্য দেখুৱাই সংক্ষেপ কৰিছে। কিছু কিছু ক্ষেত্ৰত যুদ্ধৰ বৰ্ণনাই উপন্যাসখনক মূল সুঁতিৰ পৰা আঁতৰাই অনা যেন লাগে। কুৰুক্ষেত্ৰৰ যুদ্ধৰ অতিৰিক্ত বৰ্ণনাই পাঠকক অতিষ্ঠ কৰি তুলিছে।

উপন্যাসখনত আৰম্ভণিৰে পৰা শেষলৈ কৰুণ ৰসৰ বাহিৰে আন সাহিত্যিক ৰস বিৰল। যুদ্ধক্ষেত্ৰৰ বৰ্ণনাত বীৰ ৰসে ভুমুকি মাৰিছে যদিও উপন্যাসখন শৃংগাৰ ৰসবিহীন। উত্তৰা অভিমন্যুৰ জৰিয়তে শৃংগাৰ ৰস উদ্ৰেক কৰাৰ থল আছিল যদিও ঔপন্যাসিকাই সেয়া নকৰিলে।

ভাষাৰ ক্ষেত্ৰত উপন্যাসখন সৰলতাৰ প্ৰতীক। সৰল আৰু অলংকাৰবিহীন ভাষা প্ৰয়োগ কৰি উপন্যাসখনক সৰ্বসাধাৰণ পাঠকৰ ওচৰ চপাই অনাৰ প্ৰয়াস কৰা হৈছে। ঔপন্যাসিকাই প্ৰতিটো চৰিত্ৰৰ মুখৰ ভাষা সহজ সৰল ৰূপত দাঙি ধৰিছে। ৰাজকীয় পৰিৱেশ হোৱা হেতুকে চৰিত্ৰসমূহৰ মুখৰ ভাষা যথাসম্ভৱ সংযত আৰু উচ্চস্তৰীয়।

'ৰাজনন্দিনী উত্তৰা' নামকৰণ উপন্যাসখনৰ ক্ষেত্ৰত যথাৰ্থ হৈছে বুলিব পাৰি। ঔপন্যাসিকাই ৰাজনন্দিনী উত্তৰাৰ কাহিনী বৰ্ণনা কৰোঁতে মূল মহাভাৰতৰ মুখ্য প্ৰায়বোৰ চৰিত্ৰকে কাহিনীৰ আওতাত প্ৰৱেশ কৰোৱাই কুৰুক্ষেত্ৰৰ যুদ্ধৰ বৰ্ণনাৰ মাজেৰে মহাভাৰতৰো থুলমূল আভাস প্ৰদান কৰিছে। উত্তৰাক কেন্দ্ৰ কৰিয়েই উপন্যাসখন বৰ্ণিত হোৱাত সেই প্ৰসংগেৰে নামকৰণৰ ক্ষেত্ৰত ঔপন্যাসিকা সফল বুলিয়েই ক'ব পাৰি।

মুখ্য চৰিত্ৰ হিচাপে উত্তৰাৰ ৰূপ গুণৰ বৰ্ণনাতকৈ উত্তৰাৰ মাতৃ সুদেষ্ণাৰ আলধৰা সৈৰেন্দ্ৰীৰ ৰূপ গুণৰ বৰ্ণনাহে বেছি সজীৱ যেন লাগে। এই ক্ষেত্ৰত ঔপন্যাসিকা সৈৰেন্দ্ৰীৰ

মাজত লুকাই থকা দ্ৰৌপদীৰ প্ৰভাৱেৰে প্ৰভাৱান্বিত হোৱা যেন লাগিল। মহাভাৰতত যিদৰে উত্তৰা উপেক্ষিত 'ৰাজনন্দিনী উত্তৰা'তো কিছু কিছু ক্ষেত্ৰত উত্তৰা উপেক্ষিত হৈয়ে থাকিল। যদিও উত্তৰা মহাবীৰ অভিমন্যুৰ পত্নী আছিল কিন্তু উপন্যাসখনত ঔপন্যাসিকে উত্তৰাৰ বৈবাহিক জীৱনৰ বৰ্ণনাৰ পৰা বিৰত থাকিল, তাৰ বিপৰীতে যুদ্ধৰ বৰ্ণনাকহে তেওঁ বেছি প্ৰাসংগিক কৰি তুলিলে।

মূলত: 'ৰাজনন্দিনী উত্তৰা' মহাভাৰতৰ কাহিনীক লৈয়ে ৰচিত হৈছে যদিও বৰ্তমান এইখন উপন্যাসৰ জনপ্ৰিয়তা আৰু প্ৰাসংগিকতা অস্বীকাৰ কৰিব নোৱাৰি। কাহিনী প্ৰাচীন হ'লেও উপন্যাসখনত বাস্তৱ জীৱনৰ উপযোগিতাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। সেইবাবে উপন্যাসখনৰ কাহিনী প্ৰাচীন হৈও নবীন, প্ৰাচীনতাৰ মাজতো ইয়াত আধুনিকতা উপলব্ধি কৰিব পাৰি।

গ্ৰন্থপঞ্জী :

১. ড° মালিনী - ৰাজনন্দিনী উত্তৰা

২. মজুমদাৰ, বিমল - সাহিত্যৰ তত্ব আৰু প্ৰয়োগ

**যোগাযোগৰ ঠিকনা:**

নলবাৰী, অসম

ই-মেইল: parinitadevi16@gmail.com